NIPUN AXOM G3L-8

অসমীয়া

# মৌচাক-৩

## (তৃতীয় শ্ৰেণীৰ বাবে পঠন পুস্তিকা)



**প্ৰস্তুতকৰণ**

ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

সমগ্ৰ শিক্ষা অসমৰ সহযোগত

**MOUCHAK-3:** A reading book for class III in Assamese, developed and reviewed by SCERT, Assam through workshops

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles, reviews or research papers) may be made without written authorization from the SCERT, Assam.

**গ্ৰন্থস্বত্ব ঃ** ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ **২০২৩**

**প্ৰকাশক ঃ**

**মুদ্ৰণ ঃ**

___/___/_____

সপ্তাহঃ ১

১ শিশুসকলে ৰামধেনু দেখিলে ভাল পায়।



২ ঘোঁৰাটোৱে ঘাঁহনিলৈ চেঁকুৰিছে।



৩ কবিতাই ভৰিখনত দুখ পাইছে।



৪ বগলীয়ে দীঘল দীঘল ঠেং দুখনেৰে জপং জপংকৈ ঘূৰি ফুৰে।



৫ ৰীমাই শেৱালি গছৰ তলত তলসৰা শেৱালি ফুল বুটলি আছে।



৬ আমি নিতৌ কছৰৎ কৰিব লাগে।





___/___/_____

সপ্তাহঃ ২

১ দেউতাই পাকঘৰত ভাত বাঢ়ি আছে।



২ মায়ে ভাইটিক পঢ়াশালিলৈ লৈ গৈছে।



৩ ৰাগিনী, ময়ূৰী আৰু মেৰিণাহঁতৰ আজি ফুটবল খেল আছে।



৪ শিক্ষক দিৱসত অনিমাই বিহু নাচিব।



৫ ব'হাগ মাহত গছত কুঁহিপাত ওলায়।



৬ নয়নে নদীত লগৰীয়াৰ সৈতে সাঁতুৰি আছে।



............................................



সপ্তাহঃ ৩

১ আজি আকাশখন ফৰকাল।
ফৰকাল আকাশত তৰা ওলায়।



২ গানৰ লগত তবলা বজাইছে।
কিশোৰ তবলা বজোৱাত পাকৈত।



৩ ফাকুৱা ৰঙৰ উৎসৱ।
ফাকুৱাক হোলীও বোলে।




৪ বকুল ফুলবোৰ তলভৰি সৰিছে।
অংকিতাই চোতালত বহি মালা গাঁথিছে।



___/___/_____

সপ্তাহঃ ৪

১ আমাৰ বাগিচাখন নানাবিধ ফল-মূলেৰে ভৰপুৰ। তাত দেউতাই পাচলিৰ খেতিও কৰে।




২ বিহু আমাৰ জাতীয় উৎসৱ। বহাগ বিহুত আমি মিলিজুলি নাচোঁ।



৩ খেলপথাৰত ল'ৰাবোৰে ৰচীটনা খেল খেলিছে। ৰচীটনা এবিধ থলুৱা খেল।



৪ এইজন এজন ঋষি। ঋষিয়ে গছৰ তলত তপ-জপ কৰে।



..........................................

___/___/_____

সপ্তাহঃ ৫-৬

(১০-১৫ শব্দ)

## সপ্তাহ - ৫

১) তৃণ মানে ঘাঁহ। মৃগ মানে পহু। মৃগই তৃণ খায়। সেইবাবে মৃগক তৃণভোজী বোলে।

২) শুৱালকুছি পাট-মুগা কাপোৰৰ বাবে জনাজাত। শুৱালকুছি গুৱাহাটীৰ ওচৰত। তালৈ বহুতে পাট-মুগাৰ কাপোৰ কিনিবলৈ যায়।

(১০-১৫ শব্দ)

## সপ্তাহ - ৬

১) ৰতন আৰু মীৰা ধাননি চাবলৈ গৈছে। পকা ধানেৰে পথাৰ উপচি পৰিছে। পকা ধানৰ ৰং সোণালী।

২) আমাৰ গাঁৱৰ ল'ৰাহঁতে এটা সংঘ পাতিবলৈ মন কৰিছে। তাৰ বাবে তেওঁলোকে এটা ঘৰো সাজিছে।

___/___/_____

সপ্তাহঃ ৭-৯

(১৫-২০ শব্দ)

## সপ্তাহ - ৭

১) আমাৰ গাঁওখনৰ নাম সোণাপুৰ। গাঁওখনৰ পূব দিশত এটা নামঘৰ আছে। নামঘৰত গধূলি নাম গোৱা হয়। আমাৰ ককা সদায় নামঘৰলৈ যায়।

২) মৌ-চাকত ছয়কোণীয়া অসংখ্য কোঠালী থাকে। চাকখনত এগৰাকী ৰাণীমৌ থাকে। মৌ-চাকৰ পৰা আমি মৌ-জোল পাওঁ।

(১৫-২০ শব্দ)

## সপ্তাহ - ৯

১) ৰতনৰ ভনীয়েকৰ নাম শুৱলা। তাই তৃতীয় শ্ৰেণীত পঢ়ে। তাই পঢ়াত বৰ চোকা। তাই নাচি আৰু গান গাই ভাল পায়।

২) দীপৰ বিলখন বৰ ডাঙৰ। ইয়াত বিভিন্ন মাছ থাকে। ইয়ালৈ নানান ধৰণৰ চৰাই আহে। জাকে জাকে হাতীও আহে।

___/___/_____

সপ্তাহঃ ১০-১১

## পঠন অভ্যাস - ১ (সপ্তাহঃ ১০)

এইখন আমাৰ গাঁও। আমাৰ গাঁওখনৰ নাম বালিজান। আমাৰ গাঁৱত এটা ডাঙৰ পুখুৰী আছে। পুখুৰীত সৰু-ডাঙৰ বহুত মাছ আছে। পুখুৰীটোত পদুম ফুলো আছে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২২ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

## পঠন অভ্যাস - ২ (সপ্তাহঃ ১০)

এজন চাপৰ মানুহে চাপৰি বজাই চাপৰি চাপৰি চাপৰিলৈ গৈ আছিল। নদীৰ চাপৰিত এজোপা গছত নিচেই চাপৰত লমালমে বগৰী লাগি আছিল। মানুহজনে বগৰী ছিঙি খালে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৪ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

## পঠন অভ্যাস - ৩ (সপ্তাহঃ ১১)

এদিন এজনী কাউৰী উৰি ফুৰোতে বহুত ম'ৰা চৰাইৰ পাখি দেখিলে। পাখিবোৰ দেখি তাইৰ বৰ ভাল লাগিল। কাউৰীজনীয়ে ম'ৰা চৰাইৰ পাখিবোৰ তাইৰ গাত গুজি ল'লে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৪ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

## পঠন অভ্যাস - ৪ (সপ্তাহঃ ১১)

এদিন মনোজে এটা মেকুৰী পোৱালি দেখিলে। মেকুৰী পোৱালিটোৱে তাৰ আগ ভৰিখন চেলেকি আছিল। মনোজে দেখিলে পোৱালিটোৱে ভৰিত আঘাত পাইছে। মনোজে পোৱালিটো আনি ঔষধ লগাই দিলে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৫ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

................................



___/___/_____

সপ্তাহঃ ১২

## পঠন অভ্যাস - ৫ (সপ্তাহঃ ১২)

ৰহিমলাই মাছৰ পাচি মূৰত লৈ গৈ আছিল। গছৰ ডালত চিলনী এটাই চোপ লৈ চাই আছিল। ছেগ চাই চিলনীয়ে পাচিৰ পৰা মাছ এটা লৈ উৰা মাৰিলে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৫ |




দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ৬ (সপ্তাহঃ ১২)

আজি মণিকাৰ মনত বৰ আনন্দ। আজি তাইৰ মাহীয়েকৰ বিয়া। মণিকাই ৰঙা ৰঙৰ ধুনীয়া পোছাক এযোৰ পৰিধান কৰিছে। তাই লগৰীয়াৰ লগত হাঁহি-ধেমালি কৰিছে। সকলোৰে একেলগে দৈ-চিৰা খাইছে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৬ |




দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ৭ (সপ্তাহঃ ১২)

ৰতন আৰু মীৰা ধাননি চাবলৈ গৈছে। আঘোণ মাহ। পকা পকা ধানেৰে পথাৰ উপচি পৰিছে। দাৱনীসকলে ধান দাইছে। বিমলে ধানৰ মুঠিবোৰ গোটাইছে। মহীৰামে ডাঙৰি কঢ়িয়াই নিছে। চুমি আৰু দীপিকাই লেছেৰি বুটলিছে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩০ |




দিনাংক.................................... চহী....................................

....................................



___/___/_____

সপ্তাহঃ ১৫

## পঠন অভ্যাস - ৮ (সপ্তাহঃ ১৫)

এটা টুনী চৰাইৰ পোৱালি আছিল। সি এদিন বহুদূৰলৈ উৰি গ'ল। গধূলি হোৱাত সি ঘৰলৈ অহা বাট হেৰুৱালে। সি ভয়তে চিঞৰিব ধৰিলে। জোনাকী পৰুৱা এটাই তাক চিঞৰি থকা শুনিলে। সি তাক তাৰ পোহৰেৰে বাট দেখুৱালে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৩ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ৯ (সপ্তাহঃ ১৫)

আমাৰ পঢ়াশালিৰ বাগিচাখন বৰ ধুনীয়া। বাগিচাখনত গোলাপ, তগৰ, জবা, কৰবী, নয়নতৰা আদি ফুল আছে। ফুলবোৰত ৰঙা, নীলা, হালধীয়া আদি ৰঙৰ পখিলা উৰি থাকে। ফুলৰ মৌ খাবলৈ ভোমোৰাও আহে। দেখি মোৰ বৰ ভাল লাগে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৪ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ১০ (সপ্তাহঃ ১৫)

মই এইবাৰ জাৰৰ দিনলৈ অধীৰ আশাৰে বৈ আছোঁ। কাৰণ আমি ওচৰ-চুবুৰীয়াসকলৰ লগত মিলি নৈৰ পাৰত বনভোজ খাম। মোৰ সমনীয়া বিনয়, কিশোৰ, জুৰী সকলোৰে মিলি তাত নাচ-গান কৰিম। মাজে মাজে খেলোঁ খেলিম। বৰ ভাল লাগিব।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৫ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

....................................

___/___/_____

সপ্তাহঃ ১৬

## পঠন অভ্যাস - ১১ (সপ্তাহঃ ১৬)

মায়া আৰু ৰিয়াই ঘৰৰ পিছফালে খেলি আছিল। হঠাতে দেখিলে যে ওচৰতে এটা ছাগলীয়ে বেবাই আছে। ছাগলীটোৰে এখন ভৰিত দুখ পাইছিল। মায়াই ছাগলীটোক কোলাত লৈ মৰম কৰিলে। ৰিয়াই ঘৰৰ পৰা দৰৱ আনি ছাগলীটোৰ ভৰিত লগাই দিলে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৫ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

## পঠন অভ্যাস - ১২ (সপ্তাহঃ ১৬)

ৰমেন সোনকালে আহা। আমি পথাৰলৈ বল খেলিবলৈ যাওঁ। বাবুল, জিতু আৰু জাকিৰহঁত খেলপথাৰ পালেগৈয়ে। ফাৰহীন আৰু মিতালীয়ে আমালৈ বাট চাই আছে। তুমি এক বটল পানী লৈ ল'বা। কাৰণ, আজি বৰ গৰম। গৰমত আমি পানী বেছিকৈ খাব লাগে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৭ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

## পঠন অভ্যাস - ১৩ (সপ্তাহঃ ১৬)

আজি হেনো কাকলিহঁতৰ গাঁৱত এখন ডাঙৰ মেলা বহিছে। কাকলি তাইৰ খুৰা আৰু খুৰীয়েকৰ লগত মেলা চাবলৈ গ'ল। মেলাত বহু ধৰণৰ পুতলা আৰু বেলুন দেখিবলৈ পালে। তাই খুৰীয়েকৰ লগত চকৰিত উঠিল। চকৰিত উঠিবলৈ পাই কাকলি আৰু খুৰীয়েকৰ বৰ ভাল লাগিল।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৯ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

............................



___/___/_____

সপ্তাহঃ ১৭

## পঠন অভ্যাস - ১৪ (সপ্তাহঃ ১৭)

ৰীভা আৰু ফৰহান খুৰাকৰ লগত গুৱাহাটীলৈ গৈছিল। জালুকবাৰীৰ পৰা বাছেৰে সৰুসজাইলৈ গৈছিল। সৰুসজাইত নামি খেলপথাৰলৈ খোজকাঢ়ি গৈছিল। তেওঁলোকে ভাৰত আৰু বাংলাদেশৰ মাজত হোৱা এদিনীয়া হকী খেলখন উপভোগ কৰিছিল। খেলখনত ভাৰত জয়ী হোৱাত ৰং মনে সিহঁত ঘৰলৈ ঘূৰি আহিছিল।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৯ |




দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ১৫ (সপ্তাহঃ ১৭)

হঠাৎ আকাশখন ক'লা ডাৱৰে আৱৰি ধৰিলে। বতাহত গছৰ পাতবোৰে নাচিব ধৰিলে। বৰষুণৰ ডাঙৰ ডাঙৰ টোপাল মিনা, জিনাহঁতে খেলি থকা খেলপথাৰখনত পৰিবলৈ ধৰিলে। সিহঁতে খৰ্-ধৰ্কৈ খেলৰ যোগাৰসমূহ সামৰিলে। তিতি-বুৰি সিহঁত ঘৰ পালেগৈ। সিহঁতে গা-মূৰ মচি মাকে দিয়া গৰম গাখীৰ খালে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪০ |




দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ১৬ (সপ্তাহঃ ১৭)

শীতকালত এইবাৰ আমি আমাৰ দেশৰ ৰাজধানীলৈ ফুৰিবলৈ যাম। আমি ৰে'লেৰে যাম। দেউতাই সকলোৰে বাবে টিকট কাটি থৈছে। দেউতাই আমাক ৰাজঘাট, কুটুবমিনাৰ আদি দেখুৱাব। দেউতাই কৈছে আমি তাজমহলো চাম। লগতে মথুৰালৈও যাম। সেইবাবে মই অধীৰ আশাৰে শীতকালৰ বাবে বাট চাই আছোঁ।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪০ |




দিনাংক.................................... চহী....................................





___/___/_____

**সপ্তাহঃ ১৮**

## পঠন অভ্যাস - ১৭ (সপ্তাহঃ ১৮)

এদিন এটা বানৰৰ নাচিবলৈ বৰ মন গ'ল। সি তাৰ সখীয়েক শিয়ালক ঢোল এটা আনি দিবলৈ ক'লে। শিয়ালে ক'লে- "মইনো তোমাক ঢোল ক'ৰ পৰা দিম? ওচৰতে এটা মৌ-বাহ আছে, তাকেই বজোৱা।" বানৰটোৱে শিয়ালে কোৱা কথা মতে ঢোল বজাবলৈ গৈ মৌ-মাখিৰ কামোৰহে খালে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪০ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

## পঠন অভ্যাস - ১৮ (সপ্তাহঃ ১৮)

এদিন হাতী এটাৰ বৰ গৰম লাগিল। সি পানী বিচাৰি গোটেই হাবিখন তহিলং কৰিলে। পানী ক'তো নাপাই সি ওচৰৰ গাঁওখনলৈ খৰ্-ধৰ্কৈ গ'ল। গাঁৱৰ মাজত সি এটা কুঁৱা দেখা পালে। কুঁৱাটোৰ ওচৰত কেইগৰাকীমান মহিলাই পানী তুলি আছিল। হাতীটোক দেখি তেওঁলোকে লৰ মাৰিলে। হাতীটোৱে পানী খাই গুছি গ'ল।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪৫ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

## পঠন অভ্যাস - ১৯ (সপ্তাহঃ ১৮)

এদিন বতাহ, বৰষুণ দিওতে মাকে পোনাকণক পঢ়াশালিৰ পৰা আনিবলৈ গ'ল। মাকে ভাবিলে, "পোনাকণে বিজুলী মাৰিলে ভয় খাব।" মাকে গৈ দেখিলে পোনাকণে আকাশৰ পিনে চাই হাঁহিহে আছে। মাকে তাক কিয় হাঁহি আছে সুধিলে। তেতিয়া সি ক'লে, "ভগৱানে মোৰ ফটো তুলি আছে আৰু হাঁহিলেহে ফটো ধুনীয়া হয়।"

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪৫ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

___/___/_____

সপ্তাহঃ ১৯

## পঠন অভ্যাস - ২০ (সপ্তাহঃ ১৯)

এখন দেশত হলিৰাম নামে এজন বৰ ধনী মানুহ আছিল। তেওঁ বৰ কৃপণ আছিল। তেওঁ ধন-সোণবোৰ সদায় মোনাত ভৰাই ডিঙিত ওলোমাই লয়। এইদৰে, ওলোমাই ৰাখোঁতে ৰাখোঁতে তেওঁ মোনাটোৰ ওজন দাঙিব নোৱাৰা হ'ল। উপায়হীন হৈ হলিৰামে মোনাটো বাৰীৰ এটা গাঁতত পুতি থ'লে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪২ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ২১ (সপ্তাহঃ ১৯)

ফৰকাল জোনাক ৰাতি। ৰূপা আৰু ৰুমাই চোতালত বহি কথা পাতি আছে। ৰূপাই চালৰ কোমোৰাবোৰৰ পিনে চাই ৰুমাক ক'লে — "চাচোন, জোনৰ পোহৰত কোমোৰাবোৰ কেনেকৈ জিলিকিছে।" ৰুমাই ক'লে — "অ', বৰ ধুনীয়া লাগিছে।" ৰুমাই টোপনিয়াই উত্তৰ দিছিল। ৰূপাই ক'লে — "নুশুবিচোন, দেউতা অহালৈ বাট চাওঁ। দেউতাই সাধু ক'ব নহয়।"

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪৫ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ২২ (সপ্তাহঃ ১৯)

মৌপিয়া এবিধ সৰু চৰাই। ই ফুলে ফুলে মৌ বিচাৰি ফুৰে। মৌপিয়া কপৌ চৰাইতকৈ বহুত সৰু। ইয়াৰ ঠোঁটটো দীঘল আৰু জোঙা। আমাৰ ফুলনিত সদায় মৌপিয়া চৰায়ে মৌ বিচাৰি আহে। মৌপিয়া চৰাইৰ লগতে আমাৰ ফুলনিত নানান ধৰণৰ চৰাই আহে। তাৰে ভিতৰত ভাটৌ চৰাইক মই আটাইতকৈ বেছি ভাল পাওঁ।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪৫ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

....................................

___/___/_____

সপ্তাহঃ ২১

## পঠন অভ্যাস - ২৩ (সপ্তাহঃ ২১)

জোনাকী পঢ়া-শুনাত বৰ চোকা। তাইৰ এজনী ভনীয়েক আছে। ভনীয়েকৰ নাম তৰা। দুয়ো সদায় একেলগে পঢ়াশালিলৈ যায়। তৰাই মিঠাই খাই বৰ ভাল পায়। এদিন দুয়ো বজাৰলৈ দেউতাকৰ লগত পূজাৰ কাপোৰ কিনিবলৈ গৈছিল। হঠাৎ বেলুনৰ বেপাৰী এজন দেখা পাই তৰা থমকি ৰ'ল। দৌৰ মাৰি বেলুনৰ বেপাৰীজনৰ কাষলৈ যাওঁতে তাই ধুপুচ্‌কৈ পিছল খাই পৰিল।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫১ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

## পঠন অভ্যাস - ২৪ (সপ্তাহঃ ২১)

যোৱা শনিবাৰে আমি মেঘালয়লৈ গৈছিলোঁ। আমাৰ লগত নীলিমাও গৈছিল। বৰাপানীত আমাৰ বৰ ভাল লাগিল। মেঘালয়ৰ মৌচিনৰাম পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি বৰষুণ হোৱা ঠাই। ইয়াৰ সেউজীয়া পথাৰবোৰ বৰ মনোমোহা। এখন পাহাৰৰ পৰা নামি অহা নিজৰাৰ পানীত আমি সকলোৱে খেলিলোঁ। ছিলঙত ৰাতিটো কটাই পিছদিনা আমি ঘৰলৈ ঘূৰি আহিলোঁ। সময় হ'লে অহাবছৰ আমি আকৌ যাম বুলি ভাবিছোঁ।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫৪ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

## পঠন অভ্যাস - ২৫ (সপ্তাহঃ ২১)

ড° ভূপেন হাজৰিকা একেধাৰে এজন গায়ক, গীতিকাৰ, সুৰকাৰ আৰু কবি আছিল। তেখেতে বহুতো বঁটা লাভ কৰিছিল। তেখেতৰ সকলোবোৰ গীত অসমীয়াৰ দেহে-দেহে, শিৰে-শিৰে বৈ আছে। তেখেতে কেইবাখনো কথাছবিত সংগীত পৰিচালনাৰ লগতে গীতো গাইছিল। তেনে এখন কথাছবি হ'ল 'এৰা বাটৰ সুৰ'। এই কথাছবিৰ 'জোনাকৰে ৰাতি অসমীৰে মাটি' গীতটো অধিকাংশ অসমীয়াৰে অতি প্ৰিয়। কলাৰ জগতত তেওঁৰ অৱদান অপৰিসীম।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫৫ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

..............................



___/___/_____

সপ্তাহঃ ২২

## পঠন অভ্যাস - ২৬ (সপ্তাহঃ ২২)

ৰহিমৰ ককাকে চকুৰে ভালদৰে নেদেখে। চকুৰে ভালদৰে মনিব নোৱাৰা বাবে তেওঁ বাতৰি কাকতো পঢ়িব নোৱাৰে। তেওঁ সদায় ৰাতিপুৱা ফুৰিবলৈ যায়। এদিন ফুৰিবলৈ যাওঁতে ককাকে উজুটি খাই পৰিল। পৰি যোৱা দেখি দুজনমান মানুহে ককাকক আনি ঘৰত থৈ গ'ল। দেউতাকে ককাকক চকু চিকিৎসক এজনৰ ওচৰলৈ লৈ গ'ল। চিকিৎসকে চকু পৰীক্ষা কৰি ককাকৰ দৃষ্টিশক্তি কমি যোৱা বুলি ক'লে। চিকিৎসকে ককাকক চশ্মা এযোৰ দিলে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫৯ |

৬০ ছেকেণ্ড

দিনাংক..........................................  চহী..........................................

## পঠন অভ্যাস - ২৭ (সপ্তাহঃ ২২)

আমাৰ এটা টমী নামৰ পোহনীয়া কুকুৰ আছে। এদিন মই পঢ়াশালিলৈ যাবলৈ ওলাওঁতে মোৰ মোজাযোৰ বিচাৰি নাপালোঁ। মই ভাবিলোঁ মায়ে মোজাযোৰ ধুই মেলি দি আনিবলৈ পাহৰিলে বুলি। বহুত বিচৰাৰ পাছত মোজাযোৰ টমীৰ শোৱা ঠাইত পালোঁ। তাৰ এইবিলাক কাম মোৰ একেবাৰেই ভাল নালাগে। মই খং কৰিলেও সি মোক বৰ ভাল পায়। মই পঢ়াশালিৰ পৰা ঘূৰি অহালৈকে সি সদায় পদূলিতে ৰৈ থাকে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫৯ |

৬০ ছেকেণ্ড

দিনাংক..........................................  চহী..........................................

## পঠন অভ্যাস - ২৮ (সপ্তাহঃ ২২)

এজন মাছমৰীয়া আছিল। তেওঁ বৰ সৎ আছিল। তেওঁ মাছ বেচি পৰিয়ালটোক পোহপাল দি আছিল। যোৱা কিছুদিনৰ পৰা তেওঁ মাছ মাৰিবলৈ গৈ খালী হাতেৰে উভতিব লগা হৈছিল। সেয়ে তেওঁৰ মনত বৰ দুখ। তেওঁৰ পৰিয়ালটোক পোহপাল দিয়াত অসুবিধা হৈছিল। এদিন তেওঁ মাছ ধৰিবলৈ জাল পেলোৱাত এটা কাছ লাগিল। কাছটোৱে তাক এৰি দিবলৈ অনুৰোধ কৰিলে। মাছমৰীয়াজনৰ বৰ দুখ লাগিল। তেওঁ কাছটো এৰি দিলে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬০ |

৬০ ছেকেণ্ড

দিনাংক..........................................  চহী..........................................

..........................................



___/___/_____

সপ্তাহঃ ২৩

## পঠন অভ্যাস - ২৯ (সপ্তাহঃ ২৩)

খেতিয়কে পথাৰত হাল বায়। যোচেফো এজন খেতিয়ক। তেওঁ ধানৰ খেতি কৰে। ধানৰ উৎপাদন বঢ়াবলৈ তেওঁ পথাৰত সাৰ দিয়ে। পথাৰত ধানবোৰ পকিলে তেওঁ ধানবোৰ কাটি আনে। পথাৰৰ ধানগছবোৰ কাটি ডাঙৰি হিচাপে চোতাললৈ লৈ আনে। তাৰ পাছত মৰণা মাৰি ধানবোৰ পুঁজি কৰি থয়। যোচেফে পথাৰত নহৰুৰ খেতিও কৰে। তেওঁ বজাৰত নহৰু বেচি বহুত ধন পায়।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬৩ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

## পঠন অভ্যাস - ৩০ (সপ্তাহঃ ২৩)

টিংখং নামেৰে এটা বগলী আছিল। বাৰিষা কাল। পথাৰ বোকা-পানীৰে ভৰা। যি দীঘল দীঘল ঠেং দুখনেৰে পথাৰখনত জপং জপংকৈ ঘূৰি ফুৰে। মাছ, কেঁকোৰা, ভেকুলী আদি পালে গিলি থয়। এদিন সি এটা নোদোকা কেঁকোৰা দেখিলে। কেঁকোৰাটো দেখিয়েই সি গিলি খাবলৈ তাৰ দীঘল ঠোঁটটো আগুৱাই দিলে। কেঁকোৰাটো বৰ টেঙৰ আছিল আৰু সি ছেগ বুজি বগলীৰ ডিঙিত চেপি ধৰিলে। বগলীয়ে কোনোমতে ডিঙিৰ পৰা কেঁকোৰাটো এৰুৱাই উৰি গুছি গ'ল।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬৪ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

## পঠন অভ্যাস - ৩১ (সপ্তাহঃ ২৩)

এখন পাহাৰত এটা বান্দৰ আছিল। পাহাৰত থকা গছৰ ডালে-ডালে সি সদায় নাচি-বাগি থাকে। এদিন বান্দৰক দেখি পাহাৰে ক'লে, "তুমি মোৰ গছ-গছনিৰ পৰা কিয় সদায় পকা ফলবোৰ ছিঙি খোৱা? মোৰ বৰ খং উঠে। চোৱাচোন, মই কিমান বিশাল। তুমি মোৰ তুলনাত একোৱেই নহয়।" তেতিয়া বান্দৰে ক'লে "তুমি মোতকৈ বিশাল হ'ব পাৰা, তথাপি তুমি কিছুমান কাম কৰিব নোৱাৰা। মোৰ দৰে তুমি ঘূৰি ফুৰিব নোৱাৰা। ঘূৰি ফুৰি মই বৰ ৰং পাওঁ।"

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬৭ |

৬০ ছেকেণ্ড

দিনাংক ............................ চহী ............................

............................



___/___/_____

সপ্তাহঃ ২৪

## পঠন অভ্যাস - ৩২ (সপ্তাহঃ ২৪)

জুনৰ সাত তাৰিখে মোৰ ওপজা দিন। এইবছৰ ওপজা দিনত মই এটা বিশেষ কাম কৰিলোঁ। সেয়ে মোৰ বহুত ভাল লাগিল। ওপজা দিনৰ দিনা ৰাতিপুৱা মা-দেউতাক প্ৰণাম কৰিলোঁ। তাৰ পিছত ঘৰৰ বাৰীত দুজোপা আম গছৰ পুলি ৰোপণ কৰিলোঁ। কাৰণ গছ থাকিলেহে আমি জীয়াই থাকিব পাৰিম।

মই গছপুলি কেইটাত সদায় পানী দিম বুলি শপত ল'লোঁ। গছ দুজোপা ডাঙৰ হ'লে তাৰ ছাঁত আমি জিৰণি ল'ব পাৰিম। পকা পকা আমৰো সোৱাদ লম।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬৭ |




দিনাংক ........................ চহী ........................

## পঠন অভ্যাস - ৩৩ (সপ্তাহঃ ২৪)

এদিন এখন নদীয়েদি দুটা কলহ সোঁতত উটি গৈ আছিল। এটা মাটিৰ আৰু আনটো পিতলৰ কলহ। উটি যাওঁতে যাওঁতে পিতলৰ কলহটোৱে মাত লগালে- "ভাই, মোৰ ওচৰলৈ আহা। কিবা বিপদ হ'লেও মই তোমাক সহায় কৰিম আৰু তুমিও মোক সহায় কৰিবা।" মাটিৰ কলহটোৱে তেতিয়া মাত লগালে- "তোমাৰ মৰমৰ শলাগ লৈছোঁ। পিছে, তোমাৰ ওচৰ চাপিলেই মোৰ বিপদ। তুমি মোৰ পৰা যিমান দূৰত থাকা, সিমানেই মোৰ ভাল। ভাই, তুমি অলপমান দূৰলৈ যোৱা।"

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬৭ |




দিনাংক ........................ চহী ........................

## পঠন অভ্যাস - ৩৪ (সপ্তাহঃ ২৪)

এদিন এটা গাধই হাবিত এখন সিংহৰ ছাল পালে। সি সেইখন মেৰিয়াই ল'লে। সি ভাবিলে— "এতিয়াহে মোক সকলোৱে ভয় কৰিব।" সি মূৰে-গায়ে ছালখন মেৰিয়াই ল'লে। বনৰীয়া পশুবোৰে তাক সিংহ বুলি ভাবিলে। তাক দেখিয়েই সকলো আঁতৰি গ'ল। এদিন গাধটোৱে এটা শিয়াল লগ পালে। শিয়ালৰ আগতো সি সিংহৰ ভাও জুৰিলে। বুধিয়ক শিয়ালে কথাটো গম পাইছিল। সি ক'লে— "ময়ো তোমাক দেখি ভয় খাব লাগিছিল। পিছে মই তোমাৰ আচল মাত শুনিছো, সেয়েহে নপলোৱাকৈ আছোঁ।"

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬৯ |




দিনাংক ........................ চহী ........................





___/___/_____

সপ্তাহঃ ২৫

## পঠন অভ্যাস - ৩৫ (সপ্তাহঃ ২৫)

এখন গাঁৱত লটকন নামেৰে এজন বামুণ আছিল। ঘৈণীয়েকে সদায় তেওঁক গালি-শপনি পাৰিছিল। কাৰণ তেওঁ ধন ঘটিব পৰা নাছিল। এদিন ঘৈণীয়েকৰ গালি খাই তেওঁৰ বৰ বেজাৰ লাগিল। তেওঁ ভাবিলে "মই ঘৰৰ পৰা ওলাই যাওঁ। ধন ঘটিব নোৱাৰিলে ঘৰলৈ নাহোঁ।" বাটত তেওঁৰ ভোক লাগিল। মিঠৈৰ দোকান এখন দেখা পাই তালৈ গ'ল। মিঠৈৰ দোকানত দোকানীৰ পুতেক ৰখীয়া হৈ আছিল। সি সুধিলে, "তোমাক কি লাগে?" বামুনজনে ক'লে- "মোৰ নাম মাখি। মই মিঠৈ খাবলৈ আহিছোঁ।"

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৭০ |




দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ৩৬ (সপ্তাহঃ ২৫)

এখন গাঁৱত তীখৰ আৰু চুটিবাই নামৰ এহাল ল'ৰা-ছোৱালী আছিল। এদিন তীখৰে ক'লে, "চুটিবাই, মোৰ বৰ পিঠা খাবলৈ মন গৈছে।" চুটিবায়ে ক'লে, "মন গ'লেই হ'লনে? পিঠা খাবলৈ বৰাধান, গুড় আদি ক'ত পাম?" তীখৰে ক'লে —"চুটিবাই, তই মোক এৰী কাপোৰখন দে। মই বৰাধান লৈ আহিম।" সি ওলাই গ'ল। এঘৰ মানুহৰ ঘৰত বৰাধানৰ মৰণাত তীখৰে পেটৰ বিষ উঠা বুলি বাগৰিব ধৰিলে। পাছত ঘৰলৈ দৌৰ মাৰিলে। এৰী কাপোৰখনৰ বৰাধানখিনি ঘৰত আহি জোকাৰি দিলে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৭০ |




দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ৩৭ (সপ্তাহঃ ২৫)

পথাৰত এজাক শহা চৰি আছিল। লগত সৰু-ডাঙৰ পোৱালিও আছিল। ওচৰৰ এজোপা গছত এটা শেন চৰাই আছিল। শেণে আহাৰ বিচাৰি আছিল। সি উৰা মাৰি নামি আহিল। শহাৰ মাজৰ পৰা অকণমান পোৱালি এটা থাপ মাৰি লৈ গুচি গ'ল। ওচৰৰে গছ এজোপাত এটা কাউৰী আছিল। সি ভাবিলে- "শেণটোৱে অকণমান পোৱালি এটাহে নিলে। মই ডাঙৰ এটাকে নিওঁ।" এই ভাবি কাউৰীটোৱে ডাঙৰ শহা এটাকে থাপ মাৰিলে। পিছে, শহাটো দাঙি তুলিব নোৱাৰিলে। সি শহাৰ আচোঁৰহে খালে।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৭০ |




দিনাংক.................................... চহী....................................

....................................





___/___/_____

সপ্তাহঃ ২৬

## পঠন অভ্যাস - ৩৮ (সপ্তাহঃ ২৬)

এদিন বৰষুণৰ ৰাতি হাঁহ চুৰ কৰিবলৈ এটা শিয়াল আহিল। সি প্ৰায়েই ৰাতি হাঁহ চুৰ কৰি খায়। এনেকৈ হাঁহবোৰ খাওঁতে খাওঁতে কেইটামানহে হাঁহ থাকিলগৈ। গিৰীহঁতৰ শিয়ালটোৰ ওপৰত বৰ খং উঠিল। সেইদিনা গিৰীহঁতে শিয়ালটোক এশিকনি দিবলৈ শিয়াল অহা বাটত লুকাই থাকিল। আজি শিয়ালৰ ৰক্ষা নাই! পিছে শিয়ালটোও বৰ টেঙৰ। গিৰীহঁতে যে লুকাই আছে সি গম পালে। গিৰীহঁতে ধৰিব বুলি যি লৰ মাৰিলে। গিৰীহঁতেও হাতত থকা লাঠীডাল শিয়াললৈ মাৰি পঠিয়ালে। সি কথমপি সাৰিল আৰু দুনাই সেইমুৱা নহ’ল।

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৭৪ |

৬০ ছেকেণ্ড

দিনাংক ..............................    চহী ..............................

## পঠন অভ্যাস - ৩৯ (সপ্তাহঃ ২৬)

এদিন শহাবোৰৰ এখন সভা বহিল। সিহঁতৰ মাজত আলোচনা হ’ল যে হাবিখনত ভয় কৰি জীয়াই থকাতকৈ কৰবালৈ গুচি যোৱাই ভাল। সিহঁতে আন এখন ঠাইলৈ গুচি যাবলৈ থিৰাং কৰিলে। ওচৰতে এটা দ পুখুৰী আছিল। সিহঁতে পানী খাবলৈ পুখুৰীৰ পাৰ পালেহি। পুখুৰীৰ পাৰত বহুতো ভেকুলী আছিল। শহাবোৰ অহা দেখি সিহঁত ভয়তে পানীত জঁপিয়াই পৰিল। তাকে দেখি বুঢ়া শহা এটাই ক’লে- “দেখিলানে ভাইহঁত, আমাতকৈও ভয়াতুৰ এই ভেকুলীবোৰ। গতিকে, আমি উভতি যাওঁ ব’লা।”

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৭৩ |

৬০ ছেকেণ্ড

দিনাংক ..............................    চহী ..............................

## পঠন অভ্যাস - ৪০ (সপ্তাহঃ ২৬)

জিলমিল আৰু পৰাগ দুয়ো এদিন ঘৰৰ ওচৰৰ পথাৰত খেলি আছিল। পথাৰখনৰ আনটো মূৰত এখন হাবি আছিল। দুয়োজনে খেলি খেলি ক’ব নোৱাৰাকৈ হাবিৰ মাজলৈ সোমাই গ’ল। আগবাঢ়ি গৈ গৈ সিহঁতে বাট হেৰুৱালে। ইপিনে গধূলিও হৈ আহিল। দুয়োৰে বৰ ভয় লাগিল। সিহঁতে বাট বিচাৰি হাইৰাণ হ’ল। তথাপি আশা এৰি নিদিলে। গৈ গৈ সিহঁতে এজন খৰিকটীয়াক লগ পালে। তেওঁৰ আগত সিহঁতে বাট হেৰোৱা বুলি কৈ তেওঁৰ পৰা সহায় বিচাৰিলে। খৰিকটীয়াজনে সিহঁতক ক’লে — “তোমালোকে ভয় নকৰিবা। মই তোমালোকক ঘৰত থৈ আহিম।”

| পঠনৰ স্তৰসমূহ | | | শুদ্ধকৈ পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৭৭ |

৬০ ছেকেণ্ড

দিনাংক ..............................    চহী ..............................

..............................



___/___/_____

সপ্তাহঃ ১-৪



# বীৰবলৰ বুদ্ধি

এদিনাখনৰ কথা। মহাৰাজ আকবৰ আৰু বীৰবল ফুৰিবলৈ গৈছিল। তেওঁলোকে বাটতে এটা কাউৰী দেখিলে। কাউৰীটোৱে ৰমলিয়াই থকা দেখি আকবৰৰ মনলৈ এটা প্ৰশ্ন আহিল। তেওঁ বীৰবলক সুধিয়েই পেলালে— "বীৰবল, কোৱাচোন আমাৰ ৰাজ্যত কিমানটা কাউৰী আছে?" বীৰবলে উত্তৰটো নাজানিছিল যদিও অলপ পৰ ভাবি উত্তৰ দিলে, "মহাৰাজ, আমাৰ ৰাজ্যত নব্বৈ হাজাৰ তিনিশ পঁচিশটা কাউৰী আছে।" বীৰবলৰ উত্তৰত তভক মাৰি অলপ পাছত আকবৰে পুনৰ সুধিলে— "পিছে তাতকৈ বেছি কাউৰী আমি বিচাৰি পালে কি হ'ব?"

নাকটো মোহাৰি বীৰবলে ক'লে, — মই কোৱা সংখ্যাটোতকৈ বেছি কাউৰী ওলালে ওলাব পাৰে। পিছে তাৰ অৰ্থ হ'ল যে কাষৰ ৰাজ্যৰ কাউৰীবোৰে আমাৰ ৰাজ্যলৈ আলহী খাবলৈ আহিছে। বীৰবলৰ উত্তৰত আকবৰৰ মুখৰ মাত হৰিল।

# টৰ্চ লোৱা মহ

এদিনাখনৰ কথা। অকণ নামৰ এটা ল'ৰা ঘৰত অকলে আছিল। তাৰ মাক-দেউতাক আইতাকৰ অসুখৰ বাবে চিকিৎসালয়ত থাকিবলগীয়া হৈছিল। অকণে অকলে থাকিবলৈ সাহস কৰা বাবে মাক-দেউতাকে ঘৰত বেলেগ মানুহক থাকিবলৈ কৈ নগ'ল।

সকলো ঠিকেই আছিল। পিছে ৰাতিহে সমস্যা হ'ল। ৰাতি পঢ়ি থাকোঁতে তাক বৰকৈ মহে কামুৰিলে। সি আঁঠুৱাখন তৰিবলৈ অসুবিধা পোৱা বাবে ঘৰৰ সকলো লাইট নুমুৱাই বিছনাৰ তলত সোমালগৈ। সি ভাবিছিল যে বিছনাৰ তলত তাক মহে বিচাৰি নাপাব।

পিছে কেনেবাকৈ জোনাকী পৰুৱা এটা বিচনাৰ তল পালেগৈ। জোনাকী পৰুৱাটো দেখি অকণে কান্দি কান্দি ক'বলৈ ধৰিলে, "কি যে বিপদ! মহবোৰে দেখোন এতিয়া টৰ্চলাইট লৈ আহিছে।"

# ৰজা আৰু ভাটৌ চৰাই

বিক্ৰমাদিত্য ৰজাই ৰাজ্যত ঘূৰি ফুৰোঁতে এদিন এজন মানুহৰ ঘৰত এটা ভাটৌ চৰাই দেখিলে। ৰজাক দেখি চৰাইটোৱে, 'ৰ'বি ৰ'বি, ধৰ ধৰ, মাৰ'কৈ চিঞৰিলে। আন এদিন ৰজাই আন এঘৰত এটি ভাটৌ দেখা পালে। ৰজাক দেখি চৰাইটোৱে, 'নমস্কাৰ, আহক, বহক' বুলি মাতিবলৈ ধৰিলে। ৰজা আচৰিত হ'ল। তেওঁ ভাবিলে যে, দুয়োটা একে ভাটৌ চৰাই, অথচ দুয়োৰো ইমান পাৰ্থক্য।

তেওঁ কথাৰ ভূ লৈ জানিব পাৰিলে যে 'ৰ'বি ৰ'বি মাৰ মাৰ'কৈ চিঞৰা ভাটৌটো এজন দুষ্ট লোকে পুহিছিল। তাৰ হুঁটা কথা শুনি শুনি চৰাইটোৰ মাত-কথাও হুঁটা হ'ল। আনটো আকৌ এজন সাধুলোকে পুহিছিল। সাধুৰ ঘৰত সদায় সজ কথা শুনি তাৰ মাতকেইষাৰো শুৱলা হৈ পৰিল।

.......................................



____/____/______

সপ্তাহঃ ৫-৮

# বান্দৰ আৰু কেৰ্কেটুৱা

এটা বান্দৰ এজোপা গছত বহি আছিল। বান্দৰটোৰ নেজডাল বেচ দীঘল আছিল। ইমানেই দীঘল আছিল যে মাটিৰ অকণমান ওপৰত ওলমি আছিল। গছৰ ডালত এটা কেৰ্কেটুৱাই দৌৰাদৌৰি কৰি আছিল। হঠাতে কেৰ্কেটুৱাটোৱে নেজডাল দেখিলে। সি ভাবিলে- "এইডাল দেখোন ঝুলনা কৰিবলৈ বঢ়িয়া হ'ব। ইমান ধুনীয়া ঝুলনা মই আগতে কেতিয়াও দেখা নাই!" এইবুলি কেৰ্কেটুৱাই নেজডালত ধৰি ঝুলিবলৈ ধৰিলে। ঝুলি থকাৰ বাবে বান্দৰৰ নেজডাল পিৰপিৰাবলৈ ধৰিলে। তললৈ চাই বান্দৰে কেৰ্কেটুৱাটোক দেখা পালে। হাঁহি মাৰি বান্দৰে ক'লে, "কেৰ্কেটুৱা ভাইটি, কি কৰিছা? মোৰ নেজডালত পিৰ্‌পিৰনি উঠিছে। আচৰিত হৈ কেৰ্কেটুৱাই ক'লে, "অ' বান্দৰ ককাই, তুমিহে! মই তোমাৰ নেজডালকে ঝুলনা বুলি ভাবি খেলি আছিলোঁ! মোৰ যে ইমান ভাল লাগিছিল। পিছে তোমাৰ অসুবিধা হৈছে যদি আৰু নকৰোঁ দিয়া।" এইবুলি নেজডাল এৰি কেৰ্কেটুৱা গছৰ ডালত উঠিলগৈ। বান্দৰেও হাঁহি এটা মাৰিলে।

# তিনি বন্ধু

এজনী দহিকতৰা, এটা শহাপহু আৰু এটা কুকুৰনেচীয়া বাঘ বৰ ভাল বন্ধু আছিল। সিহঁতে সদায় আবেলি একেলগে খেলিছিল। এবাৰ গৰম বেছিকৈ পৰাত দহিকতৰাটো ঠাণ্ডা দেশত থকা মাহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গ'ল। দহিকতৰাজনী গুছি যোৱাৰ পাছত শহাপহু আৰু কুকুৰনেচীয়াটো বৰ উদাস হৈ পৰিল। সিহঁতৰ খেলা-ধূলা কৰিবলৈ ভাল নলগা হ'ল। এদিন শহাপহুৱে হাতীক মাতিলে আৰু দহিকতৰালৈ এখন চিঠি লিখি দিবলৈ ক'লে। হাতীয়ে লিখি দিয়া চিঠিখন তেওঁলোকে পাৰ চৰাইক দিলে। পাৰ চৰায়ে চিঠিখন লৈ উৰা মাৰিলে। কেইদিনমানৰ পাছত চিঠিখন পাই দহিকতৰাৰো মনটো বেয়া লাগিল। দহিকতৰাই চিঠিখন পোৱাৰ পাছদিনাই মাহীয়েকৰ ঘৰৰ পৰা ঘূৰি আহিল। ঘূৰি আহিয়েই দহিকতৰাই শহা আৰু কুকুৰনেচীয়াক লগ কৰিলেগৈ। তিনিও বন্ধু পুনৰ লগ হৈ মহা আনন্দৰে খেলা-ধূলা কৰিবলৈ আৰম্ভ কৰিলে

# জোনটো বাচিল

সেইদিনা পূৰ্ণিমাৰ ৰাতি আছিল। লংকি এখন হাবিৰ মাজেৰে গৈ আছিল। মাজতে বৰ পিয়াহ লগাত সি এটা কুঁৱাৰ কাষ চাপিল। কুঁৱাৰ কাষতে ৰচী লগোৱা এটা বাল্টি আছিল। সেই বাল্টিটো কুঁৱাৰ ভিতৰলৈ নমাই দিওতেই লংকিয়ে আকাশৰ জোনটো কুঁৱাৰ ভিতৰত দেখিবলৈ পালে। জোনটো দেখি লংকিৰ বিৰাট চিন্তা লাগিল "হে ভগৱান! জোনটো দেখোন কুঁৱাত পৰি গ'ল। পৃথিৱীখনৰ এতিয়া কি হ'ব!"

জোনটোৰ কথা ভাবি ভাবি লংকিয়ে বাল্টিটো তললৈ নমালে। পিছে কুঁৱাৰ তলত থকা দুটা শিলৰ মাজত বাল্টিটো লাগি ধৰিলে। বাল্টিটো টানিবলৈ কষ্ট পোৱাত লংকিৰ মনত ভাব হ'ল— "জোনটো হয়তো বাল্টিটোত সোমাই গৈছে।" লংকিয়ে বেছি জোৰ লগাই বাল্টিটো টানিবলৈ ধৰিলে। জোৰেৰে টনাৰ ফলত ৰছীদাল ছিগি গ'ল আৰু কৰ্ফাল খাই লংকি দূৰত পৰিলগৈ। সি অজ্ঞান হৈ পৰিল।

অলপ পাছত লংকিৰ জ্ঞান ঘূৰি আহিল। চকু মেলিয়েই লংকিয়ে আকাশলৈ চালে। আকাশত জোনটো দেখি সি স্বস্তিৰ নিশ্বাস পেলালে। জোৰকৈ পৰাৰ বাবে তাৰ কঁকালত বিষ উঠিছিল। কঁকাল মোহাৰি সি নিজক নিজে ক'লে, "কঁকালত দুখ পালোঁ কি হ'ল, জোনটোক যে বচাব পাৰিলোঁ!"

..............................

___/___/_____

সপ্তাহঃ ৯-১৫



# জেলেপী খোৱাৰ মজা

এদিনাখনৰ কথা। এখন অৰণ্যৰ মাজেৰে গৈ থাকোতে ডেনিছে ঘপহকৈ এজোপা গছ দেখি ৰৈ গ'ল। গছজোপাত ডাল ভৰি ভৰি জেলেপী লাগি আছিল। ইয়াৰ আগতে ডেনিছে কেতিয়াও জেলেপীৰ গছ দেখা নাছিল। সেয়েহে গছত জেলেপী লাগি থকা দেখি সি আচৰিত হ'ল। লগতে তাৰ লোভো লাগিল, কাৰণ জেলেপী খাই সি বৰ ভাল পায়। জেলেপী গছৰ পৰা জেলেপী পাৰিবলৈ সি গছজোপাত উঠিবলৈ ধৰিলে। পিছে গছৰ তলত থকা বননিখনৰ বাবে সি অলপ অসুবিধা পালে। ক'ৰবাৰ পৰা ঈগল এজনী আহি তাৰ মূৰ আৰু পিঠিত আঘাত কৰিবলৈ ধৰিলে। কিন্তু সকলো বাধা নেওচি সি এখন জেলেপীত একামোৰ দিলে। তেতিয়াই ডাঙৰ শব্দ এটা হ'ল আৰু সি সাৰ পাই উঠিল। সি দেখিলে নিজৰ বিচনাতে সি দেউতাকৰ লগত শুই আছে। দেউতাকে তাক ক'লে, "টোপনিতে তই মোৰ চুলি টানি থকা দেখি মই তোৰ পিঠি আৰু চুলি টানি জগাবলৈ চেষ্টা কৰি আছিলোঁ। কিন্তু তাতে ৰৈ নাথাকি তই মোৰ কাণত কামুৰি দিছ কিয়?"

ডেনিছে একো নামাতিলে। সি বুজিলে জেলেপী বুলি সি দেউতাকৰ কাণকে খাবলৈ ওলাইছিল।

# কাউৰী আৰু শিয়াল

এদিন এজনী কাউৰীয়ে এটুকুৰা আলু-পৰঠা মুখত লৈ গছৰ ডালত পৰিল। গছৰ তলতে এটা শিয়াল আছিল। সি কাউৰীজনীৰ পৰঠাখন বুদ্ধি কৰি খোৱাৰ উপায় পাঙিলে। ধুনীয়াকৈ ডিঙি চাফা কৰি কাঁহ এটা মাৰি শিয়ালে ওপৰলৈ মুখ কৰি ক'লে, "কিমান দিন যে ধুনীয়া গান এটা শুনা নাই!"

কাউৰীজনীয়ে তললৈ চালে। তলতে শিয়ালটোক দেখিলে। শিয়ালে তাইক ক'লে, "তোমাৰ মাতটো যে ইমান ধুনীয়া! এটা গান গাই শুনোৱাচোন।" শিয়ালৰ কথা শুনি কাউৰীৰ মনটো ভাল লাগিল। নিজৰ প্ৰশংসা শুনিলে সকলোৱে ভাল পায়। পিছে অলপ চিন্তা কৰিয়েই কাউৰীয়ে বুজি পালে যে শিয়ালে পৰঠা খাবলৈহে এই বুদ্ধি কৰিছে। কাৰণ গান গাবলৈ মুখ মেলিলেই পৰঠাখন তলত সৰি পৰিব। শিয়ালৰ বুদ্ধিটো কাউৰীয়ে বুজি পালে। সেয়ে পৰঠাখন নখেৰে খামুচি ধৰি তললৈ চাই কাউৰীয়ে গহীনাই ক'লে, "মোৰ বিষয়ে ইমান ভাল কথা কোৱা বাবে ধন্যবাদ। পিছে তুমি অলপ ৰ'বা। কাৰণ মোৰ এতিয়া ভোক লাগি আছে। এই পৰঠাখন খাই লওঁ। তাৰ পাছত মই গান শুনাম! হ'বনে?"

কাউৰীৰ উত্তৰ শুনি শিয়াল নিৰাশ হ'ল। গান নুশুনাকৈ শিয়াল তাৰপৰা আঁতৰ হ'ল।

# ঔগছৰ বুঢ়া ডাঙৰীয়া

ময়ূৰী আৰু ৰাগ এদিন এটা নিজান বাটেৰে আবেলি ক'ৰবালৈ গৈ আছিল। স্কুলত সেইদিনা দুপৰীয়া গৌৰাংগই ভূতৰ সাধু কৈছিল। সেয়ে সিহঁতৰ মনত অলপ ভয় ভয় ভাব আছিল। ভূতৰ সাধু শুনিলেই ময়ূৰীৰ তিনদিনমান ভয় লাগি থাকে। তাতে সিহঁতে গৈ থকা বাটটো বৰ নিজান আছিল। গৈ গৈ ভাগৰ লাগিলত সিহঁতে এজোপা গছৰ তলত জিৰালে। তেনেতে ৰাগে ক'লে যে হাবিৰ মাজত ঔটেঙা গছত বুঢ়া ডাঙৰীয়া থাকে। বুঢ়া ডাঙৰীয়াৰ কথা শুনিয়েই ময়ূৰীৰ গাৰ নোম শিয়ৰি উঠিল। অলপ আঁতৰত সিহঁতে এজোপা ঔ গছ দেখিলে। গছজোপা দেখিয়েই সিহঁতৰ ভয় দুগুণ চৰিল। তেতিয়াই সিহঁতে এটা বিকট চিঞৰ শুনিলে আৰু লগে লগে এটা ঔটেঙাও সৰি পৰিল। দুয়োটাই মুখেৰে একো মাত নিদিয়াকৈ লৰ মাৰিলে। এটা সময়ত সিহঁত দৌৰিব নোৱাৰি অলপ মুকলি ঠাইত ৰৈ ফোঁপাবলৈ ধৰিলে। তেতিয়াই সিহঁতে দূৰত দেখিলে যে এজন মানুহে এটা গাধৰ পিঠিত কাপোৰ বোজা দি লৈ গৈছে। মানুহজনে মাজে মাজে গাধটোক এচাৰিৰে কোবাই আছিল। তেতিয়া গাধটোৱে চিঞৰে। হাবিৰ মাজত শুনা শব্দটোৰ আঁৰৰ কথাটো বুজিব পাৰি সিহঁতৰ মুখত হাঁহি বিৰিঙিল।



..........................................



___/___/_____

সপ্তাহঃ ১৬-২০

## ঘঁৰিয়ালৰ বন্ধুত্ব

নদীৰ পাৰত এজোপা কদম গছ আছিল। তাৰ ডালতে এজনী হেঁটুলুকা চৰাই আছিল। চৰাইজনীৰ লগত পাপৰিৰ বন্ধুত্ব আছিল। পাপৰিৰ কিবা কথাত মন বেয়া হ'লে চৰাইজনীৰ গান শুনিছিল। হেঁটুলুকায়ো কথাটো গম পাই বৰ উৎসাহেৰে গান গাবলৈ লৈছিল। পাপৰিয়েও কেতিয়াবা হেঁটুলুকাৰ বাবে ফল-মূল লৈ আহিছিল। পাপৰি আৰু হেঁটুলুকাৰ বন্ধুত্ব দেখি নদীত থকা ঘঁৰিয়ালটোৱে সিহঁতৰ কাষ চাপি ক'লে, "মোকো তোমালোকৰ বন্ধু কৰি লোৱাচোন। ময়ো তোমালোকৰ লগত খেলিম।" পিছে পাপৰি আৰু হেঁটুলুকাই ক'লে —"দেখাত ইমান ভয়ংকৰ! তোমাৰ লগ আমি বন্ধু হ'ব নোৱাৰো। ঘঁৰিয়ালটোৰ খং উঠি গ'ল। দুয়োটাকে ভাল শিক্ষা দিবলৈ সি থিৰাং কৰিলে। এদিন দুপৰীয়া পাপৰিয়ে নদীত ভৰি ধুবলৈ নামোতে তাইৰ ভৰি এখন ঘঁৰিয়ালে ধৰি পেলালে। পাপৰিয়ে চিঞৰিব ধৰিলে। এৰি দিয়া, এৰি দিয়া বুলি হেঁটুলুকাইও খাটনি জুৰিলে। ঘঁৰিয়ালে ক'লে, "আগতে মোৰ বন্ধু হ'ম বুলি কথা দিয়া। তেতিয়াহে এৰি দিম।" পাপৰিয়ে ক'লে, "এনেদৰে ভয় দেখুৱাই বন্ধু হয় নেকি? তাতকৈ তুমি আমাৰ কাকো অপকাৰ নকৰা বুলি কথা দিয়া। তেতিয়াহে বন্ধু হ'ম।" ঘঁৰিয়াল ততালিকে মান্তি হৈ গ'ল। সি ভাল বন্ধু হ'ব বুলি কথা দিলে। তাৰপাছত তিনিওটা ভাল বন্ধু হৈ পৰিল। এতিয়া তিনিওটাই একেলগে সদায় নদীৰ পাৰত বেলেগ বেলেগ খেল মিলিজুলি খেলি থাকে।

## দুলিয়েই থাকিল, গৈয়েই থাকিল

এদিনাখনৰ কথা। ধাৰাসাৰ বৰষুণ পৰি আছিল। বৰষুণৰ মাজতেই এজন খেতিয়ক খেতি-পথাৰলৈ গৈ আছিল। গৈ থাকোতে এখন বননিত শুই থকা সাপ এডালক তেওঁ ক'ব নোৱাৰাকৈ গচকি দিলে। গচকনি খাই সাপডালে ফেঁট তুলি উঠিল। খেতিয়কজনে লৰ মাৰিলে। লৰ মাৰি থাকোতে এবাৰ পিছলৈ চাই তেওঁ দেখিলে সাপটো তেওঁৰ পিছে পিছে আহি আছে। তেওঁৰ বুকু ঢপ্‌ঢপাবলৈ ধৰিলে। দৌৰি দৌৰি তেওঁ এটা পুখুৰীত জঁপ দিলে। তেওঁ পুখুৰীত সাঁতুৰিবলৈ ধৰিলে। সাঁতুৰি থাকোতেই তেওঁ দেখিলে সাপডালেও পানীত নামি সাঁতুৰি সাঁতুৰি তেওঁৰ কাষলৈ আহিব ধৰিছে। পুখুৰীটোৰ সিটো পাৰে এজোপা নিম গছ আছিল। সাঁতুৰি পাৰ হৈ তেওঁ নিমজোপাত উঠিল। সাপডালেও নিমগছত উঠি আহিল। সাপডাল কাষ পাওঁতেই খেতিয়কজনে ঢপকৈ তললৈ জঁপ মাৰি দিলে। সাপডালেও জঁপ মাৰি দিছিল। পিছে সাপৰ নেজডাল গছৰ ডাল এটাত পাক খাই লাগি ধৰিলে। গছৰ ডালত পাকখাই তললৈ মুখ কৰি সাপডালে দুলিবলৈ ধৰিলে। খেতিয়কজনক খেদি যোৱাতকৈ গছত দুলি থাকি সাপডালৰ বেছিহে ভাল লাগিল। সেয়ে সি গছতে দুলিয়েই থাকিল, দুলিয়েই থাকিল। খেতিয়কজনেও সাপৰ পৰা ৰক্ষা পাই গৈয়েই থাকিল, গৈয়েই থাকিল।

## ৰজাৰ ঢোল

এদিন এটা শহাপহুৱে আপোনমনেৰে খেলি আছিল। তাৰ আনন্দ সহ্য কৰিব নোৱাৰি কেইটামান পশুৱে পশুৰাজ সিংহৰ কাষ পালেগৈ। পশুৰাজ সিংহক সিহঁতে শহাটোৰ বিষয়ে ইমান বেয়াকৈ ক'লে যে সিংহ খঙত থাকিব নোৱাৰা হ'ল। সিংহই খঙত গৈ শহাক ধমকি লগালে। ধমকি খাই শহাই থত্‌মত্ খালে। সিংহই কিয় গালি পাৰিছে বুজিব নোৱাৰিলে। সি মনত অলপ দুখো পালে, কাৰণ একো নকৰাকৈয়ে গালি খাবলগীয়া হ'ল। সেয়ে শহাই এটা বুদ্ধি পাঙিলে যাতে সিংহক এশিকনি দিব পাৰে। শহাই ক'লে,— "আপোনাক কিবা জগৰ লগাইছোঁ যদি ক্ষমা কৰিব। পিছে ইয়াত বৰ বেছি হুলস্থূল নকৰিব। মই ৰজাৰ ঢোল এটা পহৰা দি আছোঁ।" এইবাৰ সিংহ আচৰিত হ'ল,— "আকৌনো কোন ৰজা ওলাল! আৰু ৰজাৰ ঢোলটোৰ বাবে কিয় ৰখীয়া দিবলগীয়া হ'ল!" সিংহই প্ৰশ্ন কৰাত শহাই গছৰ ডালত ওলমি থকা কোদো বৰলৰ বাহ এটা দেখুৱাই ক'লে— "সেইটো ৰজাৰ ঢোল। সাহস আছে যদি এবাৰ বজাই চাব পাৰে।" শহাৰ কথাত সিংহই বৰ অপমান পালে আৰু নিজৰ বীৰত্ব দেখুৱাবলৈ গৈ কোদোৰ বাহত একোব মাৰি দিলে। তাৰপাছত কি হ'ল বুজিলাই নহয়! কোদো বৰলবোৰে বাহৰ পৰা ওলাই সিংহক ভালকৈ এসেকা দিলে। বিষত সেহাই সেহাই সিংহই স্বীকাৰ কৰিলে যে— দেখাত সৰু হ'লেও শহাৰ বুদ্ধিৰ ভৰালটো আচলতে বৰ ডাঙৰ!





___/___/_____

**সপ্তাহঃ ২১-২৬**

# সাহসী ল'ৰাজন

আজিৰপৰা কেইবাশ বছৰৰ আগৰ কথা। সেই সময়ত অসমত এজন বৰ সাহসী ল'ৰা আছিল। অতি কম বয়সতে তেওঁ ভৰা লুইত সাঁতুৰি পাৰ হৈছিল। এবাৰ তেওঁ দুৰ্দান্ত ষাঁড় এটা শিঙত ধৰি বগৰাই দিছিল। ল'ৰাজনৰ সৰুতেই মাক ঢুকায়। বুঢ়ীমাক খেৰসুতীয়ে তেওঁক ডাঙৰ-দীঘল কৰে। ল'ৰাজন যে কেৱল বলৱান আৰু সাহসী আছিল তেনে নহয়, সৰুৰে পৰা তেওঁৰ বুদ্ধিও আছিল প্ৰখৰ। সেই সময়ত আজিৰ নিচিনা পঢ়াশালি নাছিল। গুৰুৱে ছাত্ৰসকলক ঘৰতে ৰাখি পঢ়াইছিল। পঢ়াশালিক টোল বুলিছিল। টোলৰ শিষ্যসকলৰ ভিতৰত এই ল'ৰাজন আছিল গুৰুৰ অতি প্ৰিয় শিষ্য। পঢ়াশালিত ক-খ শিকিয়েই এই ল'ৰাজনে এটা পদ্য ৰচনা কৰে। তেওঁ ৰচনা কৰা এই পদ্যটোত আ-কাৰ, ই-কাৰ নাছিল। এনেধৰণৰ পদ্য অসমীয়া ভাষাত এইটোৱেই প্ৰথম। পদ্যটো হ'ল —

কৰতল কমল কমল দল নয়ন।
ভবদব দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰ শৰ হত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন।।

এই ল'ৰাজন পিছলৈ মহাপুৰুষ হিচাপে পৰিগণিত হ'ল। তেওঁ অসমীয়া ভাষাত বহুতো পুথি ৰচনা কৰি থৈ গৈছে। এই পুথিসমূহ অসমীয়া ভাষাৰ অমূল্য সম্পদ। তেৱেঁই হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

# বাবুলৰ জলফাই

ভৰ দুপৰীয়া। ৰ'দে খাওঁ খাওঁ মূৰ্ত্তি ধৰি আছে। সেয়ে আজি বাটে-পথে বেছি মানুহ নাই। বাবুলহঁতৰ স্কুল আজি বন্ধ। সেয়ে পুৱাৰ পৰা বাবুল ঘৰতে বন্দী হৈ আছিল। ঘৰত থাকিলেও তাৰ বুধনীহঁতৰ ঘৰৰ পিছফালে থকা জলফাই জোপাহে মনত পৰি আছিল। জলফাই খাবলৈ তাৰ জিভা লক্‌লকাই থকাৰ পাছতো সি যাব পৰা নাছিল। মাক-দেউতাকে তাক ঘৰৰ পৰা ওলাই যাবলৈ মানা কৰি থৈছিল। পিছে দুপৰীয়া ভাত-পানী খাই মাক বিছনাত পৰাৰ সুযোগতে সি ঘৰৰ পাছফালে ওলাই গ'ল। বুধনীহঁতৰ ঘৰৰ দেৱালখন বৰ ওখ। সহজে উঠিব নোৱাৰি। ইফালে-সিফালে চাই সি একো নেদেখিলে। কোনেনো চোৰক সহায় কৰিবলৈ দেৱালৰ কাষত জখলা ৰাখিব! দেৱালত বগাবলৈ যি অকণো সুবিধা কৰিব নোৱাৰিলে। সেইফালেদি চন্দন গৈ আছিল। তাক বাবুলে মাতি ক'লে — আহচোন, অলপ মোক সহায় কৰ। চন্দনে প্ৰথমে অলপ ভয় কৰিছিল যদিও সি কাষ চাপি আহিল। বাবুলে তাৰ কান্ধত উঠি দেৱালখন পাৰ হ'বলৈ চেষ্টা কৰিলে। পিছে চন্দনে তাৰ ভৰ সহিব নোৱাৰি পিছল খাই পৰিল। তাৰ গাৰ কাষতে বাবুলো পৰিলহি। চন্দনে কঁকালত আৰু বাবুলে ভৰিত দুখ পালে। শব্দ শুনি ওচৰৰে কুকুৰ এটাই ভৌ ভৌ কৈ সিহঁতক খেদি আহিল। কুকুৰৰ ভয়ত চন্দন আৰু বাবুল দুয়ো দুয়োফালে পলাই পত্ৰং দিলে। জলফাই খোৱাৰ আশা বাদ দি বাবুল দুখমনেৰে ঘৰলৈ ঘূৰি আহিল।

..........................................



# ভালুকে খেলিলে ফুটবল

শীতকালত দোক-মোকালি। চাৰিওফালে কুঁৱলীয়েই কুঁৱলী। শান্ত পৰিৱেশ। এখন বাগিছাৰ জামুগছ এজোপাৰ তলত বাঘৰ পোৱালি এটা শুই আছিল। ঠাণ্ডাতে সি কুঁচি-মুচি বল এটাৰ দৰে হৈ আছিল। এনে সময়তে ভালুক এটা সেই ঠাইত উপস্থিত হ'ল। আজি ভালুক ককাইৰ গাটো ভাল নহয়। হঠাৎ বল এটাৰ দৰে পৰি থকা বাঘৰ পোৱালিটোৰ ওপৰত তাৰ দৃষ্টি পৰিল। সি স্ফূৰ্তিত চিঞৰি উঠিল— 'এইটো দেখোন ফুটবল। ভালেই হ'ল, দুবাৰমান খেলি শৰীৰটো অলপ গৰম কৰি লওঁ।' ভবা মতেই কাম। ভালুকে বাঘৰ পোৱালিটোকে দূৰলৈ ভৰিৰে সজোৰে মাৰি পঠিয়ালে। পোৱালিটোৱে আৰ্তনাদ কৰি জামু গছৰ ঠানি এটাত খামুচি ধৰিলেগৈ। লগে লগে ঠানিটো ভাগি পৰিল। ভালুকে নিজৰ ভুল বুজিব পাৰিলে। সি তৎক্ষণাৎ পোৱালিটো দুহাতেৰে মাটিত নপৰাকৈ ধৰিলে। সি এবাৰ মৰমতে পোৱালিটোক লৈ হেতালি খেলিলে। বাঘৰ পোৱালিটোৱে এনেদৰে খেলি বৰ মজা পালে। সি পুনৰ তেনে কৰিবলৈ ভালুকক অনুৰোধ কৰিলে। তাৰ অনুৰোধ ৰক্ষা কৰি ভালুকটোৱে কেইবাবাৰো হেতালি খেলিলে। বাৰে বাৰে হেতালি খেলি ভাগৰত ভালুক ককাইৰ অৱস্থা কাহিল হ'ল। 'আস্! কি পয়মালত পৰিলোঁ। আজি বাঘৰ পোৱালিৰ পৰা হাত সাৰিব নোৱাৰিমেই নেকি' — এইবুলি এবাৰ বৰ জোৰেৰে বাঘৰ পোৱালিটোক ওপৰলৈ দলিয়াই দি ভালুকে ভিৰাই লৰ মাৰিলে।


## পৰুৱা আৰু ফৰিং

বহুত দিনৰ আগৰ কথা। এটা ফৰিং আৰু এটা পৰুৱা নলে-গলে বন্ধু আছিল। পৰুৱাটোৱে ওৰে দিনটো আহাৰ গোটাই ফুৰে; আৰু ফৰিংটোৱে গান গাই নাচি-বাগি দিনটো পাৰ কৰে। এনেকৈ দিনবোৰ পাৰ হ'বলৈ ধৰিলে আৰু জাৰকালি পালেহি। কিন্তু আমাৰ ফৰিঙৰ খবৰেই নাই। যিমানেই দিন বাগৰিল ঠাণ্ডাও সিমানেই বাঢ়িল। ঠাণ্ডাৰ লগে লগে খোৱা বস্তুৰো নাটনি দেখা দিলে।

এদিন ঠাণ্ডাত ফৰিঙৰ ঘৰৰ পৰা ওলাবলৈ মন নগ'ল আৰু লেপ লৈ শুই থাকিল। পিছে, বেলি দুপৰত তাৰ বৰ ভোক লাগিল। কি খাব, কি কৰিব ভাবি সি তাৰ পাকঘৰলৈ গ'ল আৰু তাত থকা বাচন, টেমাবোৰতনো কি আছে বিচাৰিলে। কিন্তু হায়! খাবলৈ দেখোন একোৱেই নাই। সি ভোকতে চটফটাবলৈ ধৰিলে। পৰুৱালৈ তাৰ মনত পৰিল আৰু পৰুৱাৰ ঘৰলৈ উৰা মাৰিলে।

বন্ধু ফৰিঙক দেখি পৰুৱাই বৰ আনন্দ পালে আৰু অহাৰ কাৰণ সুধিলে। পৰুৱাক লগ পাই ফৰিঙৰ মুখলৈ যেন পানী আহিল। সি পৰুৱাৰ পৰা খোৱা বস্তু বিচাৰিলে। পৰুৱাই তাক কিছু খোৱা বস্তু দিলে আৰু আগলৈ সময়ৰ কাম সময়মতে কৰিবলৈ উপদেশ দিলে।





# টোকা



প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ